আমি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ সময়ত সৰু বৰ প্ৰত্যেকৰে ফালৰ পৰা, স্বাধীন হওক বা পৰাধীন ফিতৰা হিচাপে এক ছা পৰিমাণ খাদ্য দ্ৰৱ্য, এক ছা পনীৰ অথবা এক ছা যৱ, নাইবা এক ছা খেজুৰ অথবা এক ছা কিছমিছ আদায় কৰিছিলোঁ।

আবু ছাঈদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ আমি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ সময়ত সৰু বৰ প্ৰত্যেকৰে ফালৰ পৰা, স্বাধীন হওক বা পৰাধীন ফিতৰা হিচাপে এক ছা পৰিমাণ খাদ্য দ্ৰৱ্য, এক ছা পনীৰ অথবা এক ছা যৱ, নাইবা এক
ছা খেজুৰ অথবা এক ছা কিছমিছ আদায় কৰিছিলোঁ। এনেকৈয়ে আমি ফিতৰা আদায় কৰি আছিলোঁ। যেতিয়া মুআৱিয়া বিন আবি ছুফিয়ান ৰাদ্বিয়াল্লাহু আনহু হজ্জ অথবা ওমৰাৰ উদ্দেশ্যে আমাৰ ইয়ালৈ আহিল, আৰু তেখেতে মানুহৰ সন্মুখত ভাষণ দি ক'লেঃ মোৰ মতে ছিৰিয়াৰ দুই
মুদ্দ ৰঙা ঘেঁহু হৈছে এক ছা খেজুৰৰ সমান। ইয়াৰ পিছত মানুহে তেওঁৰ এই অভিমতটোকে মানি ল'লে। আবু ছাঈদ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ (মই প্ৰতিজ্ঞা লৈছিলোঁ যে,) মই যিমান দিনলৈ জীৱিত থাকিম, তেতিয়ালৈকে আগৰ নিয়ম মতেই দি যাম, যেনেকৈ ইতিপূৰ্বে দি আহিছিলোঁ।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

মুছলিমসকলে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সময়ত আৰু খুলাফায়ে ৰাশ্বিদীনৰ সময়ত, লগতে ইয়াৰ পিছতো সৰু বৰ প্ৰত্যেকৰে ফালৰ পৰা এক ছা পৰিমাণ খাদ্য দ্ৰৱ্য ফিতৰা হিচাপে আদায় কৰিছিল। সেই সময়ত তেওঁলোকৰ খাদ্য দ্ৰৱ্য আছিল, যৱ, কিছমিছ বা শুকান আঙুৰ, পনীৰ আৰু খেজুৰ আদি। চাৰি মুদে হৈছে এক ছা। এক মুদ হৈছে এজন সাধাৰণ মানুহৰ দুয়ো হাত একত্ৰিত কৰি হোৱা আয়তনৰ সমান। মুআৱিয়া ৰাদ্বিয়াল্লাহু আনহু খলীফা থকা অৱস্থাত তেওঁ যেতিয়া মদিনালৈ আহিল, সেই সময়ত ছিৰিয়াত ঘেঁহুৰ উৎপাদন বেছি হৈছিল। তেখেত আহি ভাষণ দি ক'লেঃ মোৰ মতে ছিৰিয়াৰ দুই মুদ ঘেঁহু (অৰ্থাৎ অৰ্দ্ধেক ছা) হৈছে এক মুদ খেজুৰৰ সমান। এই শুনি মানুহে সেইটোৱে গ্ৰহণ কৰিলে। আবু ছাঈদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ কিন্তু মই যিদৰে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সময়ত ফিতৰা আদায় কৰিছিলোঁ সেইদৰে আদায় কৰি আছোঁ আৰু কৰি যাম।

http://www.sunnah.global/hadeeth/as/show/4454